# মানিক বন্দোপাধ্যায়ৰ উপন্যাস 'পদ্মা নদীৰ মাঝি' ঃ এক অধ্যয়ন

যুগান্তকাৰী বঙলা ঔপন্যাসিক বঙ্কিম চন্দ্ৰ চট্টোপাধ্যায় (১৮৩৮-৯৪), ৰবীন্দ্ৰ নাথ ঠাকুৰ (১৮৬১-১৯৪১), শৰৎ চন্দ্ৰ চট্টোপাধ্যায় (১৮৭৮-১৯৩৮) ৰ পৰৱৰ্তী কালত উপন্যাস ৰচনা কৰি জনপ্ৰিয়তা লাভ কৰা ঔপন্যাসিক সকলৰ ভিতৰত মানিক বন্দোপাধ্যায় (১৯০৮-১৯৫৬) অন্যতম। তাৰাশঙ্কৰ বন্দোপাধ্যায় আৰু বিভূতিভূষণ বন্দোপাধ্যায়ৰ সমসাময়িক কালত সাহিত্য চৰ্চা কৰা অনন্য প্ৰতিভাশালী গল্পকাৰ তথা ঔপন্যাসিক মানিক বন্দোপাধ্যায়ৰ প্ৰকৃত নাম প্ৰবোধ কুমাৰ বন্দোপাধ্যায়,[১] 'অতসী মামী' নামৰ লেখকৰ প্ৰথম গল্পটি প্ৰকাশ কৰাৰ সময়ত এই উপনামটো তেওঁ প্ৰথমে ব্যৱহাৰ কৰিছিল। এই সম্পৰ্কে 'গল্প লেখাৰ গল্প' নামৰ ৰচনাত তেওঁ নিজেই লেখিছিল এনেদৰে —

> *ভাবলাম এই উচ্ছ্বাসময় গল্প, নিছক পাঠকেৰ মন ভুলানো গল্প এতে নিজেৰ নাম দেব না।*
>
> *পৰে যখন নিজেৰ নামে ভাল লেখা লিখব, তখন এই গল্পেৰ কথা তুলে লোকে নিন্দা কৰবে। এই ভেবে বন্ধু ক'জনকে জানিয়ে, গল্পে নাম দিলাম ডাক নাম — মানিক।'*[২]

'অতসী মামী' গল্পটি লেখাৰ প্ৰসঙ্গত তেওঁ লেখিছিল 'কোনদিন একলাইন লিখিনি, কিন্তু গল্পতো পড়েছি অজস্ৰ। সাহিত্য হবেনা, সৃষ্টি হবে না, কিন্তু সম্পাদক ভুলানো গল্প নিশ্চয় হবে।"[৩] এই স্বীকাৰোক্তি পঢ়াৰ পাছত 'অতসী মামী' গল্পই লেখকৰ সৰ্বপ্ৰথম সাহিত্য সৃষ্টি বুলি ধাৰণা হয় যদিও দৰাচলতে ষোল বছৰ বয়সতেই মানিক বন্দোপাধ্যায়ে কবিতা ৰচনা কৰিছিল। আঠাইচ বছৰ বয়সত 'পদ্ম নদীৰ মাঝি' আৰু 'পুতুল নাচেৰ ইতিকথা' প্ৰকাশ হোৱাৰ পাছত মানিক বন্দোপাধ্যায় অত্যন্ত জনপ্ৰিয় হৈ পৰে। মানিক বন্দোপাধ্যায়ৰ বহু চৰ্চিত আৰু বহুপঠিত উপন্যাসসমূহ হ'ল — 'পদ্মা নদীৰ মাঝি' (১৯৩৬), পুতুল নাচেৰ ইতিকথা (১৯৩৬), সৰীসৃপ (১৯৩৯), অহিংসা (১৯৪১), চতুষ্কোণ (১৯৪২), সহৰতলী (১৯৪০-৪১), চিহ্ন (১৯৪৭), আৰোগ্য (১৯৫৩), আদি। ইয়াৰ বাহিৰেও 'দিবাৰাত্ৰিৰ কাব্য', 'দৰ্পন (১৯৪৫) 'সহবাসেৰ ইতিকথা', 'সাৰ্বজনীন' (১৯৫২), 'পাশাপাশি', 'জীৱনেৰ জটিলতা' (১৯৩৬), প্ৰতিবিম্ব (১৯৪৩) আদি উপন্যাসেও তেওঁৰ শিল্প চাতুৰ্য্যক প্ৰতিভাত কৰে।